Total No. of printed pages = 20

**4 (Sem-2) FACT**

# 2018

# FINANCIAL ACCOUNTING – II

Paper : 202

Full Marks – 80

Time – Three hours

The figures in the margin indicate full marks for the questions.

Answer either in English or in Assamese.

ইংৰাজী অথবা অসমীয়াত উত্তৰ লিখিবা।

1. Fill up the blanks : 1×10=10

খালী ঠাই পূৰণ কৰা ঃ

(a) AS 2 has prescribed _____ and _____ as the methods of valuation of inventory.

মজুত পণ্যৰ মূল্যায়নৰ বাবে AS 2 য়ে _____ আৰু _____ পদ্ধতিৰ নিৰ্দেশ কৰিছে।

(b) Cash flows arising from taxes on income should be classified as cash flows from _____ activities.

আয়ৰ ওপৰত কৰৰ পৰা উদ্ভৱ হোৱা নগদ অন্তপ্ৰবাহক _____ কাৰ্যৰ পৰা হোৱা অন্তপ্ৰবাহ বুলি শ্ৰেণীবিভাগ কৰা হয়।

[Turn over

(c) An enterprise that is controlled by another enterprise is known as ______.

অন্য প্ৰতিষ্ঠানৰ দ্বাৰা নিয়ন্ত্ৰিত প্ৰতিষ্ঠানক ______ হিচাবে জনা যায়।

(d) In case of an independent branch, the Head Office Account maintained by the Branch is of the nature of a ______ account.

এটা স্বতন্ত্ৰ শাখাৰ ক্ষেত্ৰত, শাখাই ৰখা মুখ্য কাৰ্যালয়ৰ হিচাপ ______ হিচাপৰ প্ৰকৃতিৰ।

(e) Super profit is the difference between actual profit and ______.

অতি লাভাংশ হ'ল আচল লাভাংশ আৰু ______ মাজৰ পাৰ্থক্য।

(f) In departmental accounts, fire insurance on building is allocated on the basis of ______.

বিভাগীয় হিচাপত, ভৱনৰ অগ্নি বীমা ______ ৰ ভিত্তিত আৱন্টন কৰা হয়।

(g) Branch Stock Account is always prepared at ______ price.

শাখাৰ মজুত পণ্যৰ হিচাপ সদায় ______ মূল্যত প্ৰস্তুত কৰা হয়।

(h) In case of sale of a partnership to a company, if purchase consideration is less than the net assets, it is called _______.

এটা অংশীদাৰী ফাৰ্ম কোম্পানিলৈ বিক্ৰী হওঁতে, ক্ৰয়মূল্য যদি প্ৰকৃত সম্পত্তিকৈ কম হয়, তাক ______ বুলি কোৱা হয়।

(i) If the rate of gross profit for department 'A' is 25% of cost, then the amount of gross profit on a turnover of Rs. 1 lakh will be _____.

'A' বিভাগৰ মুঠ লাভৰ হাৰ যদি খৰচৰ 25% হয়, তেন্তে 1 লাখ টকাৰ বিক্ৰয়ৰ মুঠ লাভৰ পৰিমাণ হ'ব _____.

(j) Under Debtors System, Branch Account is treated as ______ account.

দেনাদাৰ পদ্ধতিত, শাখা হিচাপক ______ হিচাপে গণ্য কৰা হয়।

2. Answer the following questions in brief : 2×5=10

তলত দিয়া প্ৰশ্নবোৰৰ চমুকৈ উত্তৰ দিয়া ঃ

(a) Why was IFRS formed ?

IFRS কিয় গঠন কৰা হৈছিল?

(b) What are the accounts prepared by the Head Office for the dependent branches under Final Account System ?

চূড়ান্ত হিচাপ পদ্ধতিৰ অধীনত মুখ্য কাৰ্যালয়ে নিৰ্ভৰশীল শাখাৰ বাবে কি কি হিচাপ প্ৰস্তুত কৰে ?

(c) Mention the methods of Departmental Accounting.

বিভাগীয় হিচাপকৰণৰ পদ্ধতিসমূহ উল্লেখ কৰা।

(d) 'Dissolution of a firm automatically results in dissolution of a partnership.' – Comment.

অংশীদাৰী প্ৰতিষ্ঠানৰ অৱসায়নে আপোনা-আপুনি অংশীদাৰৰ অৱসায়ন ঘতাই।' —মন্তব্য দিয়া।

(e) When all partners become insolvent, what will be the treatment of 'unpaid balance' in creditors account ?

যেতিয়া সকলোবোৰ অংশীদাৰ দেউলীয়া হয়, তেতিয়া পাওনাদাৰৰ হিচাপত 'অনাদায় উদ্বৃত্ত'ৰ হিচাপ ব্যৱস্থা কি হ'ব?

3. Answer the following questions : 5×4=20

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ

(a) Write a note on the scope of Accounting Standard.

হিচাপৰ মানকৰ পৰিসৰৰ ওপৰত এটা টোকা লিখা।

(b) What rule is to be followed for converting the following items of a foreign branch into home currency ?

তলত উল্লেখিত বিষয়বস্তুখিনি বৈদেশিক শাখাৰ পৰা দেশীয় মুদ্ৰাত পৰিবৰ্তন কৰিবলৈ কি নীতি মানি চলিব লাগে ?

(i) Revenue Items (ৰাজহ বিষয়)

(ii) Fixed Assets (স্থায়ী সম্পত্তি)

(iii) Opening Stock (আৰম্ভণি মজুত পণ্য)

(iv) Head Office Account (মুখ্য কাৰ্যালয় হিচাপ)

(v) Depreciation (অৱক্ষয়)

Or / অথবা

What is the need of preparing Memorandum Debtors Account in Branch Accounting ? How is it different from Branch Debtors Account ?

2+3=5

শাখা হিচাপত খচৰা দেনাদাৰ হিচাপ তৈয়াৰ কৰাৰ দৰকাৰ কি? এই হিচাপ শাখা দেনাদাৰ হিচাপতকৈ কিভাবে পৃথক?

(c) Compute the value of goodwill, from the following information and on the basis of 2 years purchase of super profits calculated on the average profit of last 3 years.

তলত দিয়া তথ্য আৰু যোৱা তিনি বছৰৰ গড় লাভৰ ওপৰত হিচাপ কৰা দুবছৰৰ অতিলাভৰ ভিত্তিত সুনামৰ মূল্যায়ন কৰা।

(i) Average profit (after tax) for the last 3 years Rs.1,65,000 which includes Rs.15,000 loss on sales of a plot of land.

যোৱা তিনি বছৰৰ গড় লাভ (কৰ বাদ দি) 1,65,000 টকা ইয়াত মাটি বিক্ৰীৰ বাবদ হোৱা 15,000 টকাৰ লোকচান অন্তৰ্ভুক্ত হৈ আছে।

(ii) The company declares 50 per cent dividend on the shares of Rs. 10 each fully paid.

কোম্পানিয়ে 10 টকীয়া পূৰ্ণ আদায়ী অংশপত্ৰৰ ওপৰত 50 শতাংশ লাভ ঘোষণা কৰে।

(iii) Market value of each share is Rs. 25.

প্ৰতি অংশপত্ৰৰ বজাৰ মূল্য 25 টকা।

(iv) Average capital employed is Rs.10,00,000.

গড় মূলধন বিনিয়োগ 10,00,000 টকা।

Or / অথবা

Write a note on capitalised average profit method of valuation of goodwill.

ক্যাপিট্যালাইজ গড় লাভ ভিত্তিত সুনাম মূল্যায়ন পদ্ধতিৰ ওপৰত এটা টোকা লিখা।

(d) Explain how the partners' capital accounts are normally settled in the case of dissolution of partnership firm.

অংশীদাৰী প্ৰতিস্থানৰ অৱসায়নৰ ক্ষেত্ৰত অংশীদাৰৰ মূলধনৰ হিচাপ কেনেকৈ নিষ্পত্তি কৰা হয় ব্যাখ্যা কৰা।

Or / অথবা

State the reasons for dissolution of partnership firm by the court.

আদালতৰ দ্বাৰা অংশীদাৰী কাৰবাৰৰ অৱসায়নৰ কাৰণ সমূহ লিখা।

4. Answer the following questions : 10×4=40

তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া ঃ

(a) Write a critical note on any *one* of the following :

তলত দিয়া যি কোনো এটা বিষয়ে সমালোচনামূলক টোকা লিখাঃ

(i) Valuation of Inventory as per AS-2

AS-2 অনুসৰি মজুত পণ্যৰ মূল্যায়ন

(ii) Accounting as per AS-10

AS-10 অনুসৰি হিচাপকৰণ

(b) Mr. Amit has a branch in Barpeta. He invoices goods to the branch at selling price which is cost plus $33\frac{1}{3}\%$. From the following particulars prepare Branch Stock Account, Branch Adjustment Account and Goods sent to Branch Account in the books of Mr. Amit.

5+3+2=10

বৰপেটাত মিঃ অমিতৰ এটা শাখা আছে। তেওঁ শাখালৈ পণ্যদ্রব্য বিক্রী দামত চালান দিয়ে, যিটো ক্রয় দামতকৈ $33\frac{1}{3}\%$ বেছি। নিম্নলিখিত তথ্যসমূহৰ সহায়ত মিঃ অমিতৰ বহীত শাখাৰ মজুত পণ্য হিচাপ, শাখাৰ সংযোজন হিচাপ আৰু শাখাকৈ প্রেৰিত পণ্যদ্রব্য হিচাপ প্রস্তুত কৰা।

| | Rs. (টকা) |
|---|---|
| Stock on 1-1-17 (invoice price)<br>1-1-17 তাৰিখত মজুত পণ্য (চালান মূল্যত) | 30,000 |
| Debtors on 1-1-17<br>1-1-17 তাৰিখত দেনাদাৰ | 22,800 |
| Goods sent to branch at invoice price<br>শাখালৈ প্রেৰিত পণ্যদ্রব্য চালানী মূল্যত | 1,34,000 |
| Cash sales (নগদ বিক্রী) | 62,000 |
| Credit sales (বাকী বিক্রী) | 74,800 |
| Cash received from debtors<br>দেনাদাৰৰ পৰা প্রাপ্ত নগদ ধন | 80,000 |

| | Rs. (টকা) |
|---|---|
| Discount allowed to customers<br>গ্ৰাহকক দিয়া বাট্টা | 600 |
| Bad debts written off<br>অনুদ্ধাৰণীয় ঋণ অৱলোপন | 500 |
| Cheque sent to branch :<br>শাখালৈ পঠোৱা চেক : | |
| Salaries (দৰমহা) | 10,000 |
| Sundry expenses (বিবিধ খৰচ) | 3,400 |
| Stock on 31-12-16 (invoice price)<br>31-12-2016 তাৰিখত মজুত পণ্য (চালান মূল্যত) | 26,800 |

Or / অথবা

A company supplies goods to its branch at Guwahati at invoice price which is cost plus 50%. From the following particulars prepare (i) Branch Stock Account and (ii) Branch Adjustment Account in the books of the Head Office. 6+4=10

এটা কোম্পানিৰ গুৱাহাটী শাখালৈ পঠোৱা পণ্যখিনিৰ চালান মূল্য ক্ৰয় মূল্যতকৈ 50% বেছি। নিম্নলিখিত তথ্যসমূহৰ পৰা মুখ্য কাৰ্যালয়ৰ বহীত (i) শাখা মজুত পণ্যৰ হিচাপ আৰু (ii) শাখাৰ সংযোজন হিচাপ প্ৰস্তুত কৰা।

| | Rs. (টকা) |
|---|---|
| Stock on 1-1-17 (invoice price)<br>1-1-17 তাৰিখত মজুত পণ্য (চালান মূল্যত) | 31,200 |
| Debtors on 1-1-17<br>1-1-17 তাৰিখত দেনাদাৰ | 17,400 |
| Goods invoiced (cost price)<br>দ্ৰব্যৰ চালান (ক্ৰয় মূল্য) | 72,000 |
| Cash sales<br>নগদ বিক্ৰী | 70,000 |
| Credit sales<br>বাকী বিক্ৰী | 60,200 |
| Collection from debtors<br>দেনাদাৰৰ পৰা সংগ্ৰহ | 59,600 |
| Return from debtors<br>দেনাদাৰৰ পৰা ফিৰৎ | 3,000 |
| Goods returned to Head Office<br>মুখ্য কাৰ্যালয়ক ঘূৰাই দিয়া পণ্য | — |
| Transfer from Nagpur Branch<br>নাগপুৰ শাখাৰ পৰা বদলি কৰা | 4,200 |
| Shortage of stock<br>মজুত পণ্যৰ নাটনি | 600 |

| | Rs. (টকা) |
|---|---|
| Discount allowed to customers<br>গ্ৰাহকক দিয়া ৰেহাই মূল্য | 700 |
| Expenses at branches<br>শাখাত হোৱা খৰচ | 13,400 |

(c) The following balances as at 31-12-17 has been extracted from the books of Sarmah, the proprietor of a departmental store :

নিম্নলিখিত উদ্বৃত্তৰ তথ্যসমূহ বিভাগীয় দোকানৰ মালিক শৰ্মাৰ বহীৰ পৰা তুলি অনা হৈছে 31-12-17 তাৰিখৰ হিচাপ অনুযায়ী ঃ

Wages and salaries Rs. 1,42,500; Maintenance Rs. 12,360 ; Rent Rs. 27,050; Advertisement Rs. 15,000; Sundry debtors Rs. 41,900; Sundry creditors Rs. 16,800; Provision for doubtful debts Rs. 5,000; Furniture Rs. 46,500

মজুৰি আৰু দৰমহা 1,42,500 টকা; মেৰামতি 12,360 টকা ; ভাড়া 27,050 টকা; বিজ্ঞাপন 15,000 টকা; বিভিন্ন দেনাদাৰ 41,900 টকা; বিভিন্ন পাওনাদাৰ 16,800 টকা ; সন্দেহজনক ঋণৰ পুঁজি 5000 টকা; আচবাব 46,500 টকা।

The records relating to the stock are (in Rs.)

মজুত পণ্যৰ তালিকা (টকাৰ হিচাপত)

| | Stock on 1-1-17<br>1-1-17 তাৰিখত মজুত পণ্য | Purchase<br>ক্ৰয় | Purchase Return<br>ক্ৰয় ফিৰৎ | Stock on 31-12-17<br>31-12-17 তাৰিখত মজুত পণ্য |
|---|---|---|---|---|
| Dept X<br>বিভাগ X | 10,700 | 94,600 | 900 | 21,000 |
| Dept Y<br>বিভাগ Y | 68,000 | 2,20,980 | 2,200 | 61,600 |

Additional information :

অতিৰিক্ত তথ্য ঃ

(i) Dept X sells articles for Rs. 40 each which is equivalent to 80% above cost price, which Dept Y sells articles for Rs. 60 each which is equivalent to double the cost price.

বিভাগ X য়ে প্ৰত্যেক বস্তু 40 টকাকৈ বিক্ৰী কৰে যিটো ক্ৰয়ৰ মূল্যতকৈ 80% বেছি, কিন্তু বিভাগ Y য়ে প্ৰত্যেক বস্তু 60 টকাকৈ বিক্ৰী কৰে, যিটো ক্ৰয় মূল্যতকৈ দুগুণ বেছি।

(ii) Write off bad debts Rs. 3,300 and provision for doubtful debts to 10% of debtors. These adjustments should be apportioned equally between Dept X and Dept Y.

অনুদ্ধাৰণীয় ঋণ 3,300 টকা অৱলিখন আৰু দেনাদাৰৰ ওপৰত 10% সন্দেহজনক ঋণ পুঁজি ৰাখিব লাগে। এই সংযোজন বিভাগ X আৰু বিভাগ Y-ৰ মাজত সমান বিভাজন হ'ব লাগিব।

(iii) Provide Rs. 1,150 rent due to be paid.

ভাড়াৰ বাবদ পৰিশোধ কৰিব লগিয়া ধনৰ যোগান 1,150 টকা।

(iv) Depreciate furniture by 10%.

আচবাবৰ 10% হাৰত অৱক্ষয়।

(v) All general expenses should be apportioned between Dept X and Dept Y on the basis of the number of articles sold by these departments during the year.

সকলো সাধাৰণ খৰচখিনি বিভাগ X আৰু বিভাগ Y মাজত গোটেই বছৰজোৰা বিক্ৰী হোৱা সামগ্ৰীৰ ভিত্তিত অংশমতে ভাগ হ'ব লাগিব।

You are required to prepare Departmental Trading and P/L Account for the year ended 31-12-17.

তুমি বছৰটোৰ শেষৰ 31-12-17 তাৰিখৰ বিভাগীয় ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ প্ৰস্তুত কৰা।

Or / অথবা

JP & Co. has two departments A and B. Dept A sells goods to Dept B at normal selling price. From the following particulars, prepare Departmental Trading and Profit & Loss Account for the year ended 31-12-17 and also ascertain the net profit.

JP কোম্পানিৰ দুটা বিভাগ আছে— A বিভাগ আৰু B বিভাগ। বিভাগ Aয়ে বিভাগ B ক নিয়মিত দামত সামগ্ৰী বিক্ৰী কৰে। নিম্নলিখিত বিশেষ বিৱৰণৰ পৰা বছৰৰ শেষত 31-12-17 তাৰিখলৈ বিভাগীয় ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচান হিচাপ প্ৰস্তুত কৰা আৰু মুঠ লাভ নিৰ্ণয় কৰা।

| | Dept A (Rs.)<br>বিভাগ A (টকা) | Dept. B (Rs.)<br>বিভাগ B (টকা) |
|---|---|---|
| Opening Stock<br>আৰম্ভণি মজুত পণ্য | 2,00,000 | — |
| Purchases (ক্ৰয়) | 46,00,000 | 4,00,000 |
| Goods from Dept A<br>বিভাগ A-ৰ পৰা পোৱা পণ্যদ্ৰব্য | — | 14,00,000 |
| Wages (মজুৰি) | 2,00,000 | 3,20,000 |
| Conveyance expenses<br>যাতায়াত খৰচ | 20,000 | 2,80,000 |

| | Dept A (Rs.)<br>বিভাগ A (টকা) | Dept. B (Rs.)<br>বিভাগ B (টকা) |
|---|---|---|
| Closing stock at cost to the Department<br>বিভাগীয় ক্রয় দামত সামৰণী মজুত পণ্য | 10,00,000 | 3,60,000 |
| Sales (বিক্ৰী) | 46,00,000 | 30,00,000 |
| Printing and Stationery<br>ছপা আৰু মনোহাৰী | 40,000 | 32,000 |

The following expenses incurred are not apportioned :

নিম্নলিখিত খৰছসমূহ বিভাজন কৰা হোৱা নাইঃ

(i) Salaries (দৰমহা) Rs. (টকা) 5,40,000

(ii) Advertisement expenses Rs. (টকা) 1,80,000
বিজ্ঞাপনৰ খৰচ

(iii) General expenses Rs. (টকা) 16,00,000
সাধাৰণ খৰচ

(iv) Depreciation @ 25% on the machinery value of Rs. 96,000. Advertisement expenses are to be apportioned in the turnover ratio. Salaries in 2:1 ratio and depreciation in 1:3 ratio between the departments A and B. General expenses in the ratio 3:1.

96,000 টকাৰ মূল্যৰ যন্ত্ৰসমূহৰ অৱক্ষয়ৰ হাৰ 25%. বিজ্ঞাপনৰ খৰচ বিক্ৰয়ৰ হাৰ অনুযায়ী বিভাজন হ'ব। দৰমহা অনুপাত 2:1 আৰু অৱক্ষয়ৰ অনুপাতৰ হাৰ 1:3 বিভাগ A আৰু বিভাগ Bৰ মাজত হয়। সাধাৰণ খৰচৰ অনুপাতৰ হাৰ 3:1.

(d) L and T were in partnership sharing profits and losses in the ratio of 3:1. The following is the Balance Sheet of the partnership as at 31-3-17 :

L আৰু Tৰ অংশীদাৰ ব্যৱসায়ত লাভ আৰু লোকচানৰ ভাগ 3:1 অনুপাতে ভগাই লয়। 31-3-17 তাৰিখত অংশীদাৰ ব্যৱসায়ৰ উদ্বৃত্ত পত্ৰ তলত দিয়া ধৰণৰ ঃ

| Liabilities<br>দেনা | Amount<br>Rs. (টকা) | Assets<br>সম্পত্তি | Amount<br>Rs. (টকা) |
|---|---|---|---|
| Capital Account<br>মূলধন হিচাপ<br>L 24,000<br>T 8,000 | 32,000 | Fixed Assets<br>স্থায়ী সম্পত্তি<br>Stock<br>পণ্য | 21,000<br><br>11,200 |
| Current Accounts<br>চলিত হিচাপ<br>L 4,200<br>T 2,000 | 6,200 | Debtors<br>দেনাদাৰ<br>Cash at Bank<br>বেংকত জমা | 19,600<br><br>3,720 |
| Loan : T<br>ঋণ ঃ T | 3,000 | | |
| Creditors<br>পাওনাদাৰ | 14,320 | | |
| | 55,520 | | 55,520 |

E Ltd. agreed to take over stock and fixed assets, excluding the value of motor car Rs. 4,100 for a consideration of Rs. 48,000 which is to be satisfied by payment of cash Rs.16,000, allotment of 160 preference shares of Rs.100 each valued at Rs.75 per share, and the balance by allotment of 1,600 equity shares of the face value of Rs.10 each.

The debts realised Rs.19,200 and the creditors were settled for Rs.14,000. The following were agreed between the partners :

(i) The equity shares should be alloted in the ratio of the partners capital accounts as per Balance Sheet.

(ii) L to take over the motor car at an agreed value of Rs. 4,200.

(iii) The preference shares to be alloted to T to the value of his loan and the remainder to be alloted equally between the partners.

(iv) Balance remaining to be settled in cash.

E লিমিটেডে মজুত পণ্য আৰু স্থায়ী সম্পত্তি 4,100 টকা মূল্যৰ গাড়ীৰ বাহীৰে, 48,000 টকাত গ্ৰহণ কৰিবলৈ সন্মতি দিলে। কোম্পানিয়ে ক্ৰয় মূল নগদ 16,000 টকাৰে, প্ৰতি 100 টকা মূল্যৰ 160 টা অগ্ৰাধিকাৰ অংশপত্ৰ প্ৰতিটো অংশপত্ৰতে 75 টকা আৰু বাকী মূল্য প্ৰতি অংশপত্ৰতে 10 টকাকৈ 1,600 সমাংশ অংশপত্ৰ আবন্টন দিব।

ঋণে 19,200 টকা আদায় দিলে আৰু পাওনাদাৰ সকলক 14,000 টকা পৰিশোধেৰে নিষ্পত্তি কৰা হ'ল। অংশীদাৰ সকলৰ মাজত নিম্নলিখিত ধৰণে সসম্মতি হ'ল —

(i) উদ্বৃত্ত পত্ৰ অনুসৰি অংশীদাৰৰ মূলধন হিচাপৰ অনুপাতত সমাংশ অংশপত্ৰ আবন্টন কৰা হ'ব।

(ii) Lয়ে সসম্মত মূল্য 4,200 টকাত গাড়ীখন ললে।

(iii) Tয়ে দিয়া ঋণ মূল্যৰ সমান তেওঁক অগ্ৰাধিকাৰ অংশপত্ৰ আবন্টন দিয়া হ'ল আৰু বাকী সমান ভাবে অংশীদাৰৰ মাজত আবন্টন কৰা হ'ল।

(iv) বাকী থকাখিনি নগদ টকাৰে নিষ্পত্তি কৰা হ'ল।

Prepare (প্ৰস্তুত কৰা)

(i) Realisation Account

আদায়কৰণ হিচাপ

(ii) Partners' Capital Account

অংশীদাৰৰ মূলধন হিচাপ

(iii) Bank Account 5+3+2=10

বেংকৰ হিচাপ

Or / অথবা

The following is the Balance Sheet of S and R as on 31-12-2017.

নিম্নলিখিত উদ্বৃত্ত পত্ৰ হৈছে S আৰু Rৰ 31-12-2017 তাৰিখত।

| Liabilities দেনা | Amount Rs. (টকা) | Assets সম্পত্তি | Amount Rs. (টকা) |
|---|---|---|---|
| Sundry Creditors বিভিন্ন পাওনাদাৰ | 76,000 | Cash at Bank বেংকত জমা | 23,000 |
| Loan from Lata, wife of S লতা, Sৰ পত্নীৰ পৰা ঋণ | 20,000 | Stock (পণ্য) | 12,000 |
| Loan from R Rৰ পৰা ঋণ | 30,000 | Sundry Debtors 40,000 বিভিন্ন দেনাদাৰ (–)Provision 2,000 পুঁজি | 38,000 |
| Reserve Fund সাধাৰণ পুঁজি | 10,000 | Furniture আচবাব | 8,000 |
| Capital মূলধন R 16,000 S 20,000 | 36,000 | Plant (কল) | 56,000 |
| | | Investment বিনিয়োগ | 20,000 |
| | | Profit & Loss A/c লাভ আৰু লোকচান হিচাপ | 15,000 |
| | 1,72,000 | | 1,72,000 |

The firm was dissolved on 31-12-17 and following was the result :

31-12-17 তাৰিখত ব্যৱসায়িক প্ৰতিস্থান খনৰ পৰিসমাপ্তি হ'ল আৰু তাৰ পৰিণাম তলত উল্লেখ কৰা হ'ল ঃ

(i) S took over investment at an agreed value of Rs.16,000 and agreed to pay off the loan to Lata, wife of S.

Sয়ে 16,000 টকাৰ মূল্য বিনিয়োগ অধিগ্ৰহাৰ সম্মতি দিয়ে আৰু Sৰ পত্নী লতাৰ ধাৰ সুজিবলৈ সম্মতি প্ৰকাশ কৰে।

(ii) The assets realised as under :

ব্যৱসায়ৰ মুঠ সম্পত্তিৰ আদায় মূল্য তলত দিয়া হ'ল ঃ

| | | | |
|---|---|---|---|
| (a) | Stock (মজুত পণ্য) | Rs. (টকা) | 10,000 |
| (b) | Debtors (দেনাদাৰ) | Rs. (টকা) | 37,000 |
| (c) | Furniture (আচবাব) | Rs. (টকা) | 9,000 |
| (d) | Plant (ক'ল) | Rs. (টকা) | 50,000 |

(iii) The expenses were Rs. (টকা) 2,200

খৰচ হ'ল

(iv) The sundry creditors were paid off less 2½% ; profit and loss divided in the ratio of 3:2.

বিভিন্ন পাওনাদাৰক 2½% কৈ কমকৈ টকা দিব লাগিব ; 3:2 অনুপাতে লাভ আৰু লোকচান ভগাই ল'ব লাগিব।

Show Realisation Account, Bank Account and Partner's Capital Accounts. 5+2+3=10

আদায়কৰণ হিচাপ, বেংকৰ হিচাপ আৰু অংশীদাৰৰ মূলধনৰ হিচাপ দেখুওৱা।